**অসম বিধান সভা**

**উত্তৰ দানৰ তাৰিখ – ১৪/০৭/২০২৬**

**তৰা বিহীন প্ৰশ্ন নং : ৩২৯**

বিষয় : **আঁচনিৰ সংখ্যা**

বিধায়ক : **শ্ৰীবিকন চন্দ্ৰ ডেকা:**

**মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:**

**(ক)** নাহৰবাৰী, কচুবিল, নেপালীগাঁও আৰু গেজেৰকুছি অঞ্চলত অকাৰ্যকৰী পানী যোগান আঁচনিৰ সংখ্যা কিমান আৰু সেয়া পুনৰুদ্ধাৰৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? জনাব ।

**(খ)** বৰলা বা ননাইখুটি পানী শোধনাগাৰৰ পৰা তলৰ গাঁওসমূহলৈ পানী যোগান বঢ়োৱাৰ কোনো প্ৰস্তাৱ আছে নেকি, যিসকলে বৰ্তমানে পানীৰ সংকটত ভুগি আছে? যদি আছে, তেন্তে তাৰ বিৱৰণ দিব ।

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত কৃষ্ণেন্দু পাল মহোদয়ে উত্তৰ দিব।**

**ক)** নাহৰবাৰী, কচুবিল, নেপালীগাঁও আৰু গেজেৰকুছি অঞ্চলত অকাৰ্যকৰী পানী যোগান আঁচনিৰ সংখ্যা ২টা। আঁচনিসমূহ কাৰ্যক্ষম কৰাৰ বাবে গ্ৰহণ কৰা বিস্তৃত ব্যৱস্থা তলত দাঙি ধৰা হ'লঃ

1. টিয়াপুখুৰী নং–২ নাহৰবাৰী পানী যোগান আঁচনি

টিয়াপুখুৰী নং–২ নাহাৰবাৰী পানী যোগান আঁচনিখন ইতিমধ্যে হস্তান্তৰ কৰা হৈছে। বৰ্তমান আঁচনিখন বিদ্যুৎ বিল পৰিশোধ নকৰাৰ বাবে বিদ্যুৎ সংযোগ বিচ্ছিন্ন হোৱা কাৰণে অচল অৱস্থাত আছে।

এই সন্দৰ্ভত বকেয়া বিদ্যুৎ বিল পৰিশোধৰ বিষয়টো BTC কৰ্তৃপক্ষলৈ দাখিল কৰা হৈছে। BTC কৰ্তৃপক্ষই এই সন্দৰ্ভত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব।

2. দক্ষিণ গেজেৰকুছি MPWSS- ৰেট্ৰ'ফিটিং আঁচনি

দক্ষিণ গেজেৰকুছি MPWSS- ৰেট্ৰ'ফিটিং আঁচনিখন ইতিমধ্যে হস্তান্তৰ কৰা হৈছে। বৰ্তমান আঁচনিখন বিতৰণ পাইপলাইনত (Distribution Pipeline) পানী লিকেজ হোৱা আৰু ছাবমাৰ্চিবল (Submersible) পাম্প ছেট ক্ষতিগ্ৰস্ত হোৱা কাৰণে সম্পূৰ্ণৰূপে কাৰ্যক্ষম নহয়।

এই সন্দৰ্ভত প্ৰয়োজনীয় মেৰামতি তথা পুনৰ কাৰ্যক্ষম কৰাৰ বিষয়টো BTC কৰ্তৃপক্ষলৈ দাখিল কৰা হৈছে। BTC কৰ্তৃপক্ষই এই সন্দৰ্ভত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব।

**খ)** বৰলা বা ননাইখুটি পানী শোধনাগাৰৰ পৰা তলৰ গাঁওসমূহলৈ পানী যোগান বঢ়োৱাৰ বৰ্তমানলৈ কোনো প্ৰস্তাৱ গ্ৰহণ কৰা হোৱা নাই।